[19HKMDASO–M4S(O)19A]

MA 4th Semester (Old) Exam., 2019 (S)

ASSAMESE

[MAS (S4) 16 (Lang)]

(তিব্বত-বর্মীয় ভাষা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) কাৰ্বি ভাষাত শ্বাসাঘাতে কেনেদৰে শব্দৰ অর্থ পৰিৱর্তন ঘটায়, উদাহৰণসহ দেখুৱাওক।

(b) মিছিং ভাষাৰ বচন কেইটা আৰু কি কি ? মিছিং ভাষাত দ্বিবচন পোৱা যায়নে ?

(c) বৰো ভাষাত লিংগ নিৰপেক্ষ ৰূপৰ লগত পুং আৰু স্ত্রীবাচক শব্দ যোগ কৰি কেনেদৰে লিংগ নির্ণয় কৰা হয় ?

(d) দ্বিৰুক্তিৰ দ্বাৰা বৰো ভাষাত কেনেদৰে বহুবচনৰ ধাৰণা দিয়া হয়, উদাহৰণসহ লিখক।

(e) তিব্বত-বর্মীয় ভাষাৰ অধ্যয়নে অসমীয়া ভাষাৰ অধ্যয়ন আৰু স্বতন্ত্র বৈশিষ্ট্য নিৰূপণত সহায় কৰিব পাৰেনে ? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দাঙি ধৰক।

(f) ড০ বাণীকান্ত কাকতি আৰু ড০ প্রমোদ চন্দ্র ভট্টাচার্যৰ গৱেষণাগ্রন্থ দুখনৰ নাম লিখক। সেই দুখনৰ প্রকাশৰ চন কি কি ?

(Turn Over)

2. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ১৫০ শব্দৰ ভিতৰত) : 4×3=12

(a) কাৰ্বি ভাষাৰ স্বৰধ্বনিসমূহৰ এখন তালিকা যুগুত কৰি ধ্বনিকেইটাৰ পৰিচয় আগবঢ়াওক।

(b) ''সুৰ দেউৰী ভাষাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।'' কথাষাৰৰ সাৰ্থকতা প্ৰতিপন্ন কৰক।

(c) তিব্বত-বৰ্মী ভাষাত সৰ্বনাম ব্যৱহাৰৰ বৈশিষ্ট্য চমুকৈ লিখক।

(d) তিব্বত-বৰ্মী ভাষা আৰু অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ পাৰ্থক্য চমুকৈ লিখক।

3. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ শাখা-প্ৰশাখাসমূহ দেখুৱাই এখন ৰেখাচিত্ৰ অংকন কৰক।

(b) তিৱা ভাষাৰ ব্যঞ্জনধ্বনিসমূহৰ বিষয়ে পৰিচয়মূলক টোকা লিখি তালিকাভুক্ত কৰক।

(c) তিব্বত-বৰ্মীয় ভাষাত লিংগ ব্যাকৰণগত বিষয় হয়নে? উদাহৰণসহ আলোচনা কৰক।

(d) অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত বিভিন্ন তিব্বত-বৰ্মীয় ভাষাসমূহৰ প্ৰভাৱ কেনেধৰণৰ, উদাহৰণসহ আলোচনা কৰক।

4. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০০ শব্দৰ ভিতৰত) : 10×4=40

(a) ৰাভা ভাষাৰ ৰূপগত বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰক।

(b) বৰো ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ দুখন তালিকা যুগুত কৰি ধ্বনিগত বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক।

(c) 'ডিমাছা ভাষাৰ ধ্বনিতত্ত্ব' শীৰ্ষক এটা প্ৰবন্ধ যুগুত কৰক।

(d) তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ গঠনৰ বিষয়ে আলোচনা কৰক।

(e) অসমত প্ৰচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ ৰূপতত্ত্বৰ সৈতে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ সাদৃশ্য-বৈসাদৃশ্য দেখুৱাই এটা তুলনামূলক আলোচনা দাঙি ধৰক।

★★★